# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date : 09-05-2026** **Time : 1340 Hrs**

***Assamese Midday NSD Bulletin***

---------------------------

***Headlines***

১। পশ্চিমবংগৰ জ্যেষ্ঠ বিজেপি নেতা শুভেন্দু অধিকাৰীয়ে আজি ৰাজ্যখনৰ প্ৰথমগৰাকী বিজেপি মুখ্যমন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰে।

২। অসম বিজেপিত বিধায়িনি গোটৰ নেতা বাচনি কৰাৰ পাছত কাইলৈ বৈঠক অনুষ্ঠিত হ'ব।

৩। গুজৰাটৰ সোমনাথ মন্দিৰৰ পুনৰ নিৰ্মাণৰ ৭৫ সংখ্যক বাৰ্ষিকীৰ সৈতে সংগতি ৰাখি মন্দিৰ চৌহদত পাঁচদিনীয়াকৈ **সোমনাথ অমৃত পৰ্ব ২০২৬** শীৰ্ষক অনুষ্ঠানৰ আয়োজন কৰা হৈছে।

৪। দেশৰ বিভিন্ন অংশত আজি কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰৰ ১৬৫ সংখ্যক জয়ন্তী পালন কৰা হৈছে।

**আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি ৰাজস্থান ৰয়েলছ্ গুজৰাট টাইটানছ্‌ৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০০

পশ্চিমবংগৰ জ্যেষ্ঠ বিজেপি নেতা শুভেন্দু অধিকাৰীয়ে আজি ৰাজ্যখনৰ প্ৰথমগৰাকী বিজেপি মুখ্যমন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰে। কলকাতাৰ ব্ৰিগেড পেৰেড গ্ৰাউণ্ডত এই উপলক্ষে আয়োজিত এটা অনুষ্ঠানত নৱনিৰ্বাচিত মুখ্যমন্ত্ৰীগৰাকীৰ লগতে আন ৫ গৰাকী কেবিনেট মন্ত্ৰীয়েও শপতগ্ৰহণ কৰে। পশ্চিমবংগৰ ৰাজ্যপাল আৰ এন ৰবিয়ে তেওঁলোকক পদ আৰু গোপনীয়তা ৰক্ষাৰ শপত বাক্য পাঠ কৰোৱায়। আজি শপত লোৱা আন মন্ত্ৰীকেইগৰাকী হ'ল দিলীপ ঘোষ, অগ্নিমিত্ৰ পাল, অশোক কীৰ্তনীয়া, নিশিথ প্ৰামাণিক আৰু ক্ষুদিৰাম টুডু।

আজি আয়োজিত শপতগ্ৰহণ অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আৰু প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙকে ধৰি কেইবাগৰাকীও কেন্দ্ৰীয় মন্ত্ৰীৰ লগতে বিজেপি শাসিত ৰাজ্যসমূহৰ মুখ্যমন্ত্ৰীসকলো উপস্থিত থাকে। শপতগ্ৰহণস্থলী ব্ৰিগেড গ্ৰাউণ্ডত উপস্থিত হোৱাৰ পূৰ্বে প্ৰধানমন্ত্ৰী মোদীয়ে এটা ৰোডশ্ব'তো অংশগ্ৰহণ কৰে।

নাগালেণ্ডৰ নেইফিউ ৰিঅ'ই পশ্চিমবংগৰ মুখ্যমন্ত্ৰী হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰা শুভেন্দু অধিকাৰীক অভিনন্দন জনাইছে। শ্ৰী ৰিঅ'ই লগতে শুভেন্দু অধিকাৰী আৰু মন্ত্ৰী পৰিষদৰ সদস্যসকলক সফল কাৰ্যকালৰ বাবে শুভকামনা জনায়। উল্লেখযোগ্য যে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ সভাপতিত্বত কলকাতাত কালি অনুষ্ঠিত বিধায়িনী দলৰ বৈঠকত শুভেন্দু অধিকাৰীক বিধায়িনী গোটৰ নেতা হিচাপে নিৰ্বাচিত কৰা হয়। ইয়াৰ পাছত শ্ৰীঅধিকাৰীয়ে পশ্চিমবংগৰ ৰাজ্যপাল আৰ এন ৰবিক সাক্ষাৎ কৰি ৰাজ্যখনৰ বিজেপি নেতৃত্বাধীন প্ৰথমখন চৰকাৰ গঠনৰ দাবী উত্থাপন কৰে।

০০০০০০০০০

ৰাজ্যত বিজেপি নেতৃত্বাধীন এন ডি এ চৰকাৰে তৃতীয়বাৰৰ বাবে চৰকাৰ গঠনৰ বাবে ব্যাপক প্ৰস্তুতি চলাইছে। কাইলৈ বিধায়িনী দলৰ নেতা নিৰ্বাচন কৰাৰ পাছত অহা ১২ মে'ত নতুন চৰকাৰে আনুষ্ঠানিকভাৱে শপতগ্ৰহণ কৰিব। ইয়াৰ বাবে খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত ব্যাপক প্ৰস্তুতি আৰম্ভ হৈছে। শপতগ্ৰহণ অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী মুখ্য অতিথি হিচাপে উপস্থিত থকাৰ লগতে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনকে ধৰি কেইবাগৰাকীও কেন্দ্ৰীয় মন্ত্ৰী তথা এন ডি এ শাসিত ৰাজ্যৰ মুখ্যমন্ত্ৰী, উপ-মুখ্যমন্ত্ৰীসকলৰ লগতে বিজেপিৰ কেইবাগৰাকীও জ্যেষ্ঠ নেতা উপস্থিত থকাৰ কথা। কাইলৈ বিজেপিৰ বিধায়িনী দলৰ বৈঠক অনুষ্ঠিত হ'ব। এই বৈঠকত কেন্দ্ৰীয় পৰ্যবেক্ষক হিচাপে প্ৰাক্তন ৰাষ্ট্ৰীয় সভাপতি তথা কেন্দ্ৰীয় মন্ত্ৰী জে পি নাড্ডা আৰু হাৰিয়ানাৰ মুখ্যমন্ত্ৰী নয়াব সিং চাইনী উপস্থিত থাকি বিধায়িনী দলৰ নেতা নিৰ্বাচন কৰিব। বিধায়িনী দলৰ বৈঠকত অংশগ্ৰহণ কৰাৰ বাবে জে পি নাড্ডা আৰু নয়াব সিং চাইনী আজি গুৱাহাটীত উপস্থিত হ'ব। উল্লেখযোগ্য যে খানাপাৰাত আয়োজিত শপত গ্ৰহণ অনুষ্ঠানত বিজেপিয়ে ১ লাখ লোকক সমবেত কৰোৱাৰ লক্ষ্য লৈছে।

০০০০০০০

প্ৰধানমন্ত্ৰী সুৰক্ষা বীমা যোজনা, প্ৰধানমন্ত্ৰী জীৱন জ্যোতি বীমা যোজনা আৰু অটল পেন্সন যোজনাৰ ১১ বছৰ সম্পূৰ্ণ হৈছে। বিত্ত মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে সকলোকে বিশেষকৈ সমাজৰ দুৰ্বল আৰু বঞ্চিত শ্ৰেণীৰ লোকসকলক বহনক্ষম বিত্তীয় সুৰক্ষা প্ৰদানেই আঁচনিকেইখনৰ মূল উদ্দেশ্য।

আঁচনিকেইখন সন্দৰ্ভত মত প্ৰকাশ কৰি কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰধানমন্ত্ৰী সুৰক্ষা বীমা যোজনা, প্ৰধানমন্ত্ৰী জীৱন জ্যোতি বীমা যোজনা আৰু অটল পেন্সন যোজনাৰ অন্তৰ্ভুক্তিৰে কম দৰত বীমা আৰু পেন্সন সুবিধা প্ৰদানৰ উদ্দেশ্যে জন সুৰক্ষা আঁচনি আৰম্ভ কৰিছে। বিত্তমন্ত্ৰীগৰাকীয়ে কয় যে প্ৰধানমন্ত্ৰী জীৱন জ্যোতি যোজনাৰ অধীনত ২৭ কোটিৰো অধিক, প্ৰধানমন্ত্ৰী সুৰক্ষা বীমা যোজনাৰ অধীনত ৫৮ কোটি আৰু অটল পেন্সন যোজনাৰ অধীনত ৯ কোটি লোকে নাম পঞ্জীয়ন কৰিছে। তেওঁ কয় যে প্ৰধানমন্ত্ৰী জীৱন জ্যোতি বীমা যোজনাৰ অধীনত ১০ লাখ ৭০ হাজাৰৰো অধিক পৰিয়ালৰ ২১ হাজাৰ ৫০০ কোটিৰো অধিক টকাৰ দাবী নিষ্পত্তি কৰা হৈছে। একেদৰে প্ৰধানমন্ত্ৰী সুৰক্ষা বীমা যোজনাৰ অধীনত ১ লাখ ৮৪ হাজাৰৰো অধিক পৰিয়ালৰ প্ৰায় ৩ হাজাৰ ৬০০ কোটি টকাৰ দাবী নিষ্পত্তি কৰা হৈছে বুলি শ্ৰীমতী সীতাৰমনে জানিবলৈ দিয়ে। এই যোজনাকেইখনৰ সাফল্যৰ বাবে বেংক আৰু বীমা কোম্পানীসমূহৰ ক্ষেত্ৰ বিষয়াসহ সকলো পক্ষই নিষ্ঠাপূৰ্ণ প্ৰচেষ্টাৰ তেওঁ শলাগ লয়। এই উপলক্ষে বিত্ত দপ্তৰৰ ৰাজ্যমন্ত্ৰী পংকজ চৌধৰীয়ে কয় যে দুখীয়া জনসাধাৰণক বীমা আৰু পেন্সন সুবিধা প্ৰদানেই আঁচনিকেইখনৰ মূল উদ্দেশ্য। তেওঁ কয় যে আঁচনিকেইখনৰ অধীনত নাম পঞ্জীয়ন আৰু দাবী নিষ্পত্তি প্ৰক্ৰিয়া সৰল কৰাত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে। অনলাইন জন সুৰক্ষা পোৰ্টেল মুকলি কৰাৰ ফলত জনসাধাৰণে বেংক অথবা ডাকঘৰলৈ নোযোৱাকৈ সহজে নাম পঞ্জীয়ন কৰিব পৰা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে।

০০০০০০০

বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্যমন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই আজি কোষ্টাৰিকাৰ নৱনিৰ্বাচিত ৰাষ্ট্ৰপতিৰ শপত গ্ৰহণ অনুষ্ঠানত অংশগ্ৰহণ কৰে। মন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যমযোগে কয় যে ৰাষ্ট্ৰপতি, প্ৰধানমন্ত্ৰী

আৰু দেশৰ জনসাধাৰণৰ হৈ তেওঁ কোষ্টাৰিকাৰ ৰাষ্ট্ৰপতি আৰু চৰকাৰক অভিনন্দন জ্ঞাপন কৰে আৰু দেশখনত জনসাধাৰণৰ সেৱাত তেওঁলোকৰ সফলতা কামনা কৰে।

০০০০০০০

গুজৰাটৰ সোমনাথ মন্দিৰৰ পুনৰ নিৰ্মাণৰ ৭৫ সংখ্যক বাৰ্ষিকীৰ সৈতে সংগতি ৰাখি মন্দিৰ চৌহদত পাঁচদিনীয়াকৈ **সোমনাথ অমৃত পৰ্ব ২০২৬** শীৰ্ষক অনুষ্ঠানৰ আয়োজন কৰা হৈছে। কালিৰে পৰা অনুষ্ঠিত এই কাৰ্যসূচীত সোমনাথ মন্দিৰৰ ঐতিহাসিক গুৰুত্বৰ প্ৰতি আলোকপাত কৰা হৈছে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত যোগ দিয়াৰ উদ্দেশ্যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী পৰহিলৈ মন্দিৰটোলৈ যাব। উল্লেখযোগ্য যে, চলিত বছৰৰ আৰম্ভনিতে সোমনাথ মন্দিৰত আয়োজিত সোমনাথ স্বাভিমান পৰ্বত প্ৰধানমন্ত্ৰী মোদীয়ে অংশগ্ৰহণ কৰিছিল। এই মন্দিৰত হোৱা প্ৰথম আক্ৰমণৰ এহেজাৰ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে এই পৰ্বৰ আয়োজন কৰা হৈছিল। ১০২৬ চনত সংঘটিত এই আক্ৰমণৰ ঘটনাটোৰ লগতে ১৯৫১ চনত দেশৰ প্ৰথমগৰাকী ৰাষ্ট্ৰপতি ড০ ৰাজেন্দ্ৰ প্ৰসাদে মন্দিৰটো পুনৰ মুকলি কৰি দেশবাসীৰ প্ৰতি উচৰ্গা কৰা কাৰ্যৰ ৭৫ সংখ্যক বাৰ্ষিকী উপলক্ষে এই অমৃত পৰ্ব অনুষ্ঠানৰ আয়োজন কৰা হৈছে।

০০০০০০০০

দেশৰ মহান বীৰ মহাৰাণা প্ৰতাপৰ জয়ন্তী উপলক্ষে প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং আৰু গৃহমন্ত্ৰী অমিত শ্বাহে বীৰগৰাকীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি নিবেদন কৰিছে। সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত প্ৰতিৰক্ষা মন্ত্ৰী সিঙে মহাৰাণা প্ৰতাপক অদমনীয় সূৰ্য আৰু অতুলনীয় গৌৰৱৰ প্ৰতীক বুলি অভিহিত কৰি কয় যে তেওঁ মাতৃভূমিৰ সুৰক্ষাৰ বাবে নিজৰ জীৱন উচৰ্গা কৰি থৈ গৈছে। মহান বীৰগৰাকীৰ সাহস, শৌৰ্য আৰু ত্যাগ দেশৰ ইতিহাসত চিৰদিনলৈ সোণালী আখৰেৰে লিপিবদ্ধ হৈ থাকিব বুলি উল্লেখ কৰি, জন্মভূমিৰ সন্মান আৰু স্বাধীনতাৰ বাবে তেওঁ কৰা সংগ্ৰামে দেশৰ ভৱিষ্যত প্ৰজন্মক অনুপ্ৰাণিত কৰি যাব বুলিও প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে মত প্ৰকাশ কৰে।

গৃহমন্ত্ৰী অমিত শ্বাহে মাতৃভূমি, ধৰ্ম আৰু সংস্কৃতিৰ সুৰক্ষাৰ বাবে জীৱন উচৰ্গা কৰা মহাৰাণা প্ৰতাপক স্বাধীনতা, আত্মগৌৰৱ আৰু ত্যাগৰ সৰ্বোচ্চ উৎস হিচাপে অভিহিত কৰে।

০০০০০০০০০

দেশৰ বিভিন্ন অংশত আজি কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰৰ ১৬৫ সংখ্যক জয়ন্তী পালন কৰা হৈছে। এই উপলক্ষে পশ্চিম বংগৰ শান্তি নিকেতন, বিশ্ব ভাৰতী বিশ্ববিদ্যালয়সহ বিভিন্ন স্থানত সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হৈছে। বাংলাদেশতো উৎসাহ উদ্দীপনাৰে ৰবীন্দ্ৰ জয়ন্তী পালন কৰা হৈছে। উপৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰবীন্দ্ৰনাথ ঠাকুৰৰ জয়ন্তী উপলক্ষে কবিগুৰুলৈ শ্ৰদ্ধাঞ্জলি তৰ্পন কৰিছে। উপ-ৰাষ্ট্ৰপতি ৰাধাকৃষ্ণণে সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত কয় যে কবিগুৰুৰ অৱদান সাহিত্য জগতৰ পৰিধিতকৈ অধিক ব্যাপক আছিল। তেওঁ ৰবীন্দ্ৰনাথ ঠাকুৰক এগৰাকী অগ্ৰণী চিন্তাবিদ, শিল্পী আৰু শিক্ষাবিদৰূপে অভিহিত কৰে। তেওঁ লগতে কবিগুৰুৰ কৰ্মৰাজিৰ মাজেৰে দেশৰ চহকী সভ্যতা আৰু মানৱতাৰ দৰে সাৰ্বজনীন প্ৰমূল্যৰাজিৰ প্ৰতিফলন ঘটে বুলি মন্তব্য কৰে। সমাজ আৰু ভৱিষ্যৎ প্ৰজন্মৰ মাজত তেওঁৰ প্ৰভাৱ সদায় চিৰবিদ্যমান হৈ থাকিব বুলি শ্ৰীৰাধাকৃষ্ণণে প্ৰকাশ কৰে। তেওঁ লগতে গুৰুদেৱৰ শ্বাশ্বত শিকনিয়ে জনসাধাৰণক সদায় পথ প্ৰদৰ্শন কৰি যাব বুলি আশা প্ৰকাশ কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰক এগৰাকী লেখক, চিন্তাবিদ আৰু অসাধাৰণ প্ৰতিভাৰ কবি বুলি অভিহিত কৰে। প্ৰধানমন্ত্ৰীয়ে কয় যে ৰবীন্দ্ৰনাথ ঠাকুৰৰ কৰ্মৰাজিৰ মাজেৰে মানৱতাৰ গভীৰ আবেগ আৰু মহান অৱধাৰণাৰ অভিব্যক্তি প্ৰকাশ পাইছে। কবিগুৰুগৰাকীয়ে নতুন চিন্তাধাৰা, সৃজনশীল শক্তি আৰু সাংস্কৃতিক আত্মবিশ্বাসেৰে সমাজক সমৃদ্ধ কৰি থৈ গৈছে বুলি শ্ৰীমোদীয়ে মন্তব্য কৰে। তেওঁ লগতে ৰবীন্দ্ৰনাথ ঠাকুৰৰ চিন্তাৰাজিয়ে জনসাধাৰণক পথ দেখুৱাই যাব বুলি আশা প্ৰকাশ কৰে।

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং, গৃহমন্ত্ৰী অমিত শ্বাহেও জয়ন্তী উপলক্ষে কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰক শ্ৰদ্ধাৰে সুঁৱৰিছে।

সাংসদ আৰু লোকসভাৰ সচিব প্ৰধান উৎপল কুমাৰ সিঙে আজি জন্মবাৰ্ষিকী উপলক্ষে নতুন দিল্লীত থকা সংবিধান সদনৰ কেন্দ্ৰীয় কক্ষত থকা কবিগুৰুৰ প্ৰতিচ্ছবিত পুষ্পমাল্য তৰ্পন কৰে। দেশৰ প্ৰথমগৰাকী নবেল বঁটা প্ৰাপকগৰাকীৰ সাংস্কৃতিক আৰু সাহিত্যিক ঐতিহ্যৰ প্ৰতি অপৰিসীম অৱদানৰ বিষয়ে আলোকপাত কৰি লোকসভা সচিবালয়ে গুৰুদেৱ ৰবীন্দ্ৰনাথ ঠাকুৰৰ লিখনিয়ে জনসাধাৰণক দেশপ্ৰেমেৰে উদ্বুদ্ধ কৰা বুলি প্ৰকাশ কৰে।

০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি জয়পুৰৰ ছৱাই মানসিং ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত ৰাজস্থান ৰয়েলছ গুজৰাট টাইটানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

প্ৰতিযোগিতাত কালি দিল্লীৰ অৰুণ জেটলি ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত কলকাতা নাইট ৰাইডাৰ্ছে, ডেলহি কেপিটেলছক ৮ উইকেটত পৰাস্ত কৰে। ১৪৩ ৰানৰ বিজয় লক্ষ্য লৈ খেলি কলকাতা নাইট ৰাইডাৰ্ছে ১৪ অভাৰ আৰু দুটা বলত দুটা উইকেট হেৰুৱাই ১৪৭ ৰান কৰি বিজয় সাব্যস্ত কৰে।

০০০০০০০

**সমাপ্ত**